# Official Spokesperson's response to a media query on the recent developments in the India-China Border Areas

September 01, 2020

# ভাৰত-চীন সীমান্ত অঞ্চলত হোৱা সাম্প্ৰতিক উন্নতিসমূহৰ সম্পৰ্কত সংবাদ মাধ্যমে প্ৰক্ষেপ কৰা প্ৰশ্নৰ প্ৰতি চৰকাৰী মূখপাত্ৰৰ সঁহাৰি

ছেপ্তেম্বৰ 01, 2020

**ভাৰত-চীন সীমান্ত অঞ্চলত হোৱা সাম্প্ৰতিক উন্নতিসমূহৰ সম্পৰ্কত সংবাদ মাধ্যমে প্ৰক্ষেপ কৰা প্ৰশ্নৰ প্ৰতি সঁহাৰি জনাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মূখপাত্ৰ শ্ৰী অনুৰাগ শ্ৰীৰাস্তৱে কয়**

আপোনালোকে জানে যে ভাৰত-চীন সীমান্ত পৰিস্থিতিৰ সমাধান কৰাৰ ক্ষেত্ৰত ভাৰত আৰু চীনে যোৱা তিনি মাহ ধৰি কূটনৈতিক আৰু সামৰিক স্তৰত নিবিড়ভাৱে কাম কৰি আহিছে। এই কথাটোও মন কৰিব লাগিব যে ইয়াৰ আগতে দুয়োখন দেশৰ বৈদেশিক মন্ত্ৰী আৰু দুগৰাকী বিশেষ প্ৰতিনিধিয়ে একমত হৈছিল যে পৰিস্থিতিটোৰ এক দায়িত্বশীল পদ্ধতিৰে পৰিচালনা কৰা উচিত আৰু দুয়ো পক্ষই কোনোধৰণৰ উত্তেজনামূলক ব্যৱস্থা গ্ৰহণ কৰা বা তেনেধৰণৰ বিষয়ৰ পৰা বিৰত থকা আৰু দ্বিপাক্ষিক চুক্তি আৰু প্ৰটকল অনুসৰি সীমান্ত এলেকাত শান্তি আৰু সমৃদ্ধি বাহাল ৰখাটো নিশ্চিত কৰিব লাগে।

চীনা পক্ষই অৱশ্যে, এই বুজাবুজিৰ চুক্তিক উলংঘন কৰাৰ লগতে 29 আৰু 30 আগষ্টৰ ৰাতি পানগংগ হ্ৰদৰ দক্ষিণ উপকূল এলেকাৰ স্থিতিত পৰিৱৰ্তন অনাৰ বাবে উত্তেজনামূলক সামৰিক কাৰ্যকলাপত লিপ্ত হৈছিল। ভাৰতীয় সেনাবাহিনীয়ে যোৱাকালি ব্যক্ত কৈছিল, ভাৰতীয় পক্ষই এই উত্তেজনামূলক কাৰ্যৰ প্ৰত্যুত্তৰ দিছে আৰু আমাৰ স্বাৰ্থ ৰক্ষা আৰু আঞ্চলিক অখণ্ডতা ৰক্ষাৰ কাৰণে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত যথাযথ প্ৰতিৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰোপৰি, যোৱাকালি 31 আগষ্ট তাৰিখে উভয় পক্ষৰ গ্ৰাউণ্ড কামাণ্ডৰে পৰিস্থিতি উন্নত কৰাৰ কাৰণে আলোচনা কৰি থকাৰ সময়ত চীনা সৈন্যই পুনৰ উত্তেজনামূলক কৰ্যকলাপত লিপ্ত হৈছিল। সময়মতে গ্ৰহণ কৰা প্ৰতিৰক্ষামূলক পদক্ষেপৰ কাৰণে ভাৰতীয় পক্ষই একপক্ষীয়ভাৱে স্থিতিত পৰিৱৰ্তন অনাৰ প্ৰচেষ্টাক বাধা দিব পাৰিছিল।

এই বছৰৰ আৰম্ভণিতে এল এ চি-ত চীনা পক্ষৰ কাৰ্যকলাপ আৰু আচৰণ সীমান্তত শান্তি আৰু সমৃদ্ধি নিশ্চিত কৰিবলৈ দুয়োখন দেশৰ মাজত হোৱা দ্বিপাক্ষিক চুক্তি আৰু প্ৰটকলৰ স্পষ্ট উলংঘন। এইধৰণৰ কাৰ্যকলাপে উভয় দেশৰ বৈদেশিক মন্ত্ৰীৰ লগতে বিশেষ প্ৰতিনিধিসকলৰ মাজত হোৱা বুজাবুজিৰ সম্পূৰ্ণৰূপে উপেক্ষা কৰিছে।

আমি কূটনৈতিক আৰু সামৰিক চ্যানেলৰ মাধ্যমেৰে চীনা পক্ষৰ আগত সাম্প্ৰতিক উত্তেজনামূলক আৰু আক্ৰমণাত্মক কাৰ্যকলাপৰ বিষয়টো দাঙি ধৰিছো আৰু তেওঁলোকক আহ্বান জনাইছো যাতে সমূখ বাহিনীৰ শৃংখলাবদ্ধ আৰু নিয়ন্ত্ৰণ কৰে।

পশ্চিমী ক্ষেত্ৰৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত সকলো বিষয়শান্তিপূৰ্ণ মাধ্যমেৰে সমাধান কৰাৰ কাৰণে ভাৰতীয় পক্ষ দৃঢ় প্ৰতিজ্ঞ। এই সন্দৰ্ভত, আমি আশা কৰো যে চীনা পক্ষই পূৰ্বৰ এই বুজাবুজি একাগ্ৰতাৰে মানি চলিব আৰু পৰিস্থিত সমাধান আৰু সীমান্ত অঞ্চলত শান্তি আৰু সমৃদ্ধি ঘূৰাই অনাৰ ক্ষেত্ৰত ভাৰতৰ সৈতে আন্তৰিকভাৱে কাম কৰিব।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 01, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.